Krishna Kanta Handiqui State Open University

MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

তুলনামূলক ভাৰতীয় সাহিত্য

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৫=১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰবীন্দ্ৰনাথৰ কাব্যৰ মূল প্ৰেৰণা কোন আছিল? তেওঁক ৰবীন্দ্ৰনাথে কি আখ্যাৰে অভিহিত কৰিছিল?

(খ) জীৱনানন্দ দাসৰ 'আমি কবি, সেই কবি' কবিতাটোৰ যিকোনো দুটা শাৰী উল্লেখ কৰক।

(গ) ঐতিহাসিক সকলৰ মতে বাংলা ভাষাৰ প্ৰথম সার্থক চুটিগল্পটো কি আৰু কোনখন আলোচনীত কেতিয়া প্ৰকাশ পায়?

(ঘ) গল্পকাৰ শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ চুটিগল্পৰ দুটা সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰক।

(ঙ) '... বাজি হলো এই। আমি একটি গল্প লিখে তিন মাসেৰ মধ্যে ভারতবর্ষ, প্রবাসী বা বিচিত্রায় ছাপিয়ে দেবো। যদি না পারি - সে কথা আর কেন?'— এই কথাখিনি কাৰ? ক'ত উল্লিখিত হৈছে?

(চ) 'পুলুতনাচেৰ ইতিকথা'ৰ প্ৰধান প্ৰধান চাৰিটা চৰিত্ৰৰ উল্লেখ কৰক।

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×৩=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰবীন্দ্ৰনাথৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰক।

(খ) 'আমি কবি, সেই কবি' কবিতাটিৰ মূল কথাখিনি লিখক।

(গ) 'অভাগাৰ স্বৰ্গ' গল্পটোত তদানীন্তন সমাজব্যৱস্থাৰ কেনেকুৱা ৰূপ প্ৰকাশ পাইছে উল্লেখ কৰক।

(ঘ) 'পুতুলনাচেৰ ইতিকথা' উপন্যাসখনৰ কাহিনীৰ মাজত কি বিশেষত্ব প্ৰকাশ পাইছে আলচ কৰক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×৩=১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'জীৱনে যত পূজা' কবিতাটিৰ সাধাৰণ বৈশিষ্ট্যৰ আভাস দিয়ক।

(খ) ৰবীন্দ্ৰনাথ আৰু জীৱনানন্দ দাসৰ কাব্য ৰচনাৰ এটি তুলনামূলক আলোচনা যুগুত কৰক।

(গ) শৰৎচন্দ্ৰৰ চৰিত্ৰায়ন - 'অভাগীৰ স্বৰ্গ' গল্পটোৰ আধাৰত কথাখিনি বিচাৰ কৰক।

(ঘ) 'পুতুলনাচের ইতিকথা' উপন্যাসখনৰ মনস্তাত্বিক বৈশিষ্ট্য সম্পৰ্কে আভাস দিয়ক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×৪=৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০টা শব্দৰ ভিতৰত লিখিব)

(ক) ঊনবিংশ শতিকাৰ বাংলা কাব্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

(খ) 'পুতুলনাচেৰ ইতিকথা' উপন্যাসখনত শশী আৰু কুসুম চৰিত্ৰ দুটাই বিষয়বস্তুৰ প্ৰধান উপজীব্য হিচাপে ক্ৰীয়াশীল — কথাষাৰ বিচাৰ কৰক।

(গ) 'অভাগীৰ স্বৰ্গ' গল্পটোৰ আধাৰত শৰৎচন্দ্ৰৰ জীৱনবোধ বিচাৰ কৰক।

(ঘ) সমালোচকৰ দৃষ্টিত কবি জীৱনানন্দ — এই বিষয়ে এটি আলোচনা আগবঢ়াওক।

(ঙ) ৰবীন্দ্ৰনাথ আৰু বাংলা কবিতা — এই শিতানত এটি লেখা আগবঢ়াওক।

——×——